# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-07-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১।   কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰিব।

২।   অৰ্থনৈতিক বিশেষজ্ঞ মাৰ্টিন ৱুল্‌ফে ভাৰত ২০৪৭ চনৰ ভিতৰত মহাশক্তিত পৰিণত হ'ব বুলি পূৰ্বানুমান কৰিছে।

৩।   ৰাজ্যত বানৰ ফলত এতিয়ালৈকে ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে।

৪।   চি বি আইয়ে নীটৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ মূল অপৰাধী ৰাকেশ ৰঞ্জন ওৰফে ৰকি নামৰ এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে।

*আৰু*

৫।   ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইকুৱেডৰৰ গোঞ্জালো এস্কোবাৰৰ যুটীটো ব্ৰাৱো অপেন ছেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

00000

কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰিব। অগ্নীপথ আঁচনিক লৈ চলি থকা বিতৰ্কৰ মাজতেই কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছে। সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী আৰু সশস্ত্ৰ সীমা বলৰ দৰে কেন্দ্ৰীয় বাহিনীসমূহৰ মুৰববীসকলে কৈছে যে, প্ৰাক্তন অগ্নিবীৰসকলে বয়সৰ উৰ্ধ সীমাৰ ক্ষেত্ৰত ৰেহাই লাভ কৰিব আৰু তেওঁলোকৰ বাবে শাৰিৰীক দক্ষতাৰ পৰীক্ষা নাথাকিব।

00000

Financial Times নামৰ ইংৰাজী ভাষাৰ দৈনিক বাতৰিখনৰ মুখ্য অৰ্থনৈতিক বিশেষজ্ঞ মাৰ্টিন ৱুল্‌ফে ভাৰত ২০৪৭ চনৰ ভিতৰত মহাশক্তিত পৰিণত হ'ব বুলি পূৰ্বানুমান কৰিছে। বাতৰি কাকতখনৰ  এটা স্তম্ভলেখত ব্ৰিটেইনৰ অৰ্থনীতিবিদ ৱুল্‌ফে কৈছে যে, ৪ গুন অধিক জনসংখ্যাৰে ২০৪৭ চন পৰ্যন্ত ভাৰতৰ আৰ্থিক উৎপাদন  আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমান হ'ব। তেওঁ কয় যে, ২০৪৭ চনলৈকে ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ বছৰি ৫ শতাংশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ২ দশমিক ৩ শতাংশ হ'লে ভাৰতৰ অৰ্থব্যৱস্থা ক্ৰয় শক্তি সমতাৰ ক্ষেত্ৰত আমেৰিকাৰ সম পৰ্যায়ৰ হ'ব।

শ্ৰীৱুল্‌ফে কয় যে, ভাৰতৰ যথেষ্ট সামৰ্থ আছে আৰু পাশ্চত্যৰ সৈতে দেশখনৰ ভাল সম্পৰ্ক আছে। এনে সম্পৰ্ক কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। অৰ্থনীতিবিদগৰাকীয়ে কয় যে, ভাৰত বিশ্ব অৰ্থব্যৱস্থাত যোগসূত্ৰ স্বৰূপ বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আই এম এফে গণ্য কৰে। তেওঁ কয় যে, ভাৰতে বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰত

প্ৰভাৱশালী ভূমিকা পালন কৰা ভাৰতীয় প্ৰৱাসী নাগৰিকসকলৰ পৰা সহযোগ লাভ কৰি আহিছে। ভাৰতৰ মানৱ সম্পদৰ সময়ৰ সৈতে অৰ্থ ব্যৱস্থালৈ বিবিধতা অনা আৰু ইয়াক উন্নত কৰি তোলাৰ সামৰ্থ আছে বুলিও অৰ্থনীতিবিদগৰাকীয়ে মন্তব্য কৰে।

০০০০০

বিজেপিয়ে কৈছে যে, ২০১৪ৰ পৰা ২০২৩ চনলৈ বিগত ১০ বছৰত দেশত ১২ কোটি ৫০ লাখ কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত ভাৰত বিশ্বৰ সৰ্বাধিক কৰ্মসংস্থাপন সৃষ্টি কৰা আগশাৰীৰ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ২০০৪ আৰু ২০১৪ৰ মাজৰ সময়ছোৱাত ইউ পি এৰ শাসন কালত মাত্ৰ ২ কোটি ৯০ লাখ কৰ্মসংস্থাপন সৃষ্টি হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত ৰাজনৈতিক ইচ্ছা শক্তিৰ সৈতে এখন সুস্থিৰ চৰকাৰ গঠন হৈছে আৰু ইয়াৰ ফলত কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি পাইছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যত বানৰ ফলত এতিয়ালৈকে ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যৰ ২৬ খন জিলাৰ প্ৰায় ১৪ লাখ লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰনে প্ৰকাশ কৰা মতে, নগাঁও জিলাৰ বান পৰিস্থিত জটিল হৈ আছে। জিলাখনত ২০ হাজাৰ ৬১২টি শিশুসহ প্ৰায় ৭৯ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। বাঢ়নী পানীয়ে নগাঁও জিলাৰ ৬টা ৰাজহ চক্ৰৰ অধীনৰ ১৮৪ খন গাঁও আৰু ১৮ হাজাৰ ২৩১ দশমিক ৮ হেক্টৰ কৃষিভূমি বুৰাই পেলাইছে।

এইবেলি বানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১০টা গঁড় সহ ১৭৪টা জীৱ-জন্তুৰ প্ৰাণ হানি হৈছে। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সামগ্ৰিক বান পৰিস্থিত ক্ৰমাৎ উন্নত হৈছে যদিও ৪৬টা বন শিবিৰ আৰু উদ্যানখনৰ ভালেমান অংশ বানত বুৰ গৈ আছে। উদ্যান কৰ্তৃপক্ষৰ তথ্য অনুসৰি ২০১৭ চনৰ বানত ২৪টা গঁড়কে ধৰি মুঠ ২৯১টা বন্য জীৱৰ প্ৰাণ নাশ হৈছিল। একেদৰে উদ্যানখতন ২০১৯ চনৰ বানত ২১টা গঁড়সহ ২২৩টা বন্য জীৱ আৰু ২০২০ চনত ১৯টা গঁড়সহ ১৫৭টা জীৱ-জন্তু মৃত্যু মুখত পৰিছিল। আনহাতে উদ্যানখনত ২০২১ চনত বানৰ ফলত ৪টা গঁড়সহ ২৬টা জীৱ-জন্তু, ২০২২ চনত ১৯টা জীৱ-জন্তু আৰু ২০২৩ চনত ৭টা গঁড়সহ মুঠ ২৯টা জীৱ-জন্তুৰ মৃত্যু ঘটিছিল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানৰ সময়ত ২০১৭ চনত বাহনৰ খুন্দাত তিনিটা, ২০১৯ চনত ১৭টা, ২০২০ত ২২টা, ২০২১ত ১৭টা আৰু ২০২২ তথা ২০২৩ চনত ৯টাকৈ জীৱ-জন্তুৰ প্ৰাণ নাশ হৈছিল।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক শাখাত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ মূল অপৰাধী ৰাকেশ ৰঞ্জন ওৰফে ৰকি নামৰ এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ব্যক্তিজনক ১০ দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ৰকিৰ এই চক্ৰৰ আন এজন মুখ্য ব্যক্তি সঞ্জীৱ মুখীয়াৰ সৈতে যোগসূত্ৰ আছে। সঞ্জীৱ মুখীয়া ২ দশক ধৰি এই কেলেংকাৰীত জড়িত হৈ আছে আৰু পলাতক অৱস্থাত আছে। ৰকিক গ্ৰেপ্তাৰে চি বি আইক তদন্তত সহায় কৰিব। তদন্তকাৰী সংস্থাটোৱে এতিয়ালৈকে ঝাৰখণ্ডৰ হাজাৰীবাগৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু উপ প্ৰধান শিক্ষকসহ ১২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। চি বি আই আৰু বিভিন্ন ৰাজ্যৰ আৰক্ষীয়ে নীটৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ দৰে ঘটনাৰ সৈতে জড়িত এই চক্ৰৰ তদন্ত কৰি আছে। চি বি আইয়ে এই ঘটনা সংক্ৰান্তত বৰ্তমানলৈকে ৬ খন এজাহাৰ ৰুজু কৰিছে।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মুম্বাইৰ নৰছি মোনজি ব্যৱস্থাপনা অধ্যয়ন প্ৰতিষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলক সম্বোধন কৰিব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে সবল ভাৰত ঃ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ ভূমিকা শীৰ্ষক মূল ভাষণ প্ৰদান কৰিব। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ৰমেশ বেইছ আৰু ৰাজ্যসভাৰ সাংসদ প্ৰফুল পেটেল এই অনুষ্ঠানত উপস্থিত থাকিব। বিকশিত ভাৰত ২০৪৭ উদ্যম অনুসৰি দেশৰ ভৱিষ্যত গঢ়ি তোলাৰ ক্ষেত্ৰত উচ্চ শিক্ষা গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰাই এই অনুষ্ঠানৰ মূল উদ্দেশ্য।

০০০০০

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক দেশত আত্মহত্যা প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে লোৱা পদক্ষেপসমূহৰ শেহতীয়া স্থিতিৰ বিষয়ে প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত এখন বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক চাৰি দিনৰ ভিতৰত এই প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। ন্যায়ালয়ে শিশু আত্মহত্যাৰ ঘটনা অতি গুৰুতৰ বিষয় বুলি অনুভৱ কৰি কেন্দ্ৰীয় স্বাস্থ্য সঞ্চালকালয়ক এনে ঘটনা প্ৰতিৰোধৰ বাবে বিহিত ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

০০০০০

ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইকুৱেডৰৰ গোঞ্জালো এস্কোবাৰৰ যুটীটো ব্ৰাৱো অপেন ছেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু ইকুৱেডৰ যুটীটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত ব্ৰাজিলৰ মাৰ্ছেলো ডেমোলিনৰ আৰু আৰ্জেণ্টিনাৰ গুইলেৰ্মো দুৰানৰ যুটীটোক ৬-৪, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰে। বালাজী আৰু এস্কোবাৰৰ শীৰ্ষ বাছনিপ্ৰাপ্ত যুটীটো আজি ছেমি ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত ইউক্ৰেইনৰ ডেনিছ মোলছানোভ আৰু নেডাৰলেণ্ডছৰ মাট্ৱে মিডেলকুপৰ সন্মুখীন হ'ব।

০০০০০

চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰাইজিকোভা প্ৰথমবাৰৰ বাবে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ৩১ সংখ্যক বাছনিপ্ৰাপ্ত ক্ৰাইজিকোভাই যোৱানিশা লণ্ডনত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত কাজাখস্তানৰ এলেনা ৰায়বাকিনাক ৩-৬, ৬-৩, ৬-৪ ছেটত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে সপ্তম বাছনিপ্ৰাপ্ত ইটালীৰ জেছমিন পাঅ'লিনিয়ে মহিলাৰ ছিংগলছৰ প্ৰথমখন ছেমি ফাইনেলত ক্ৰ'ৱেছিয়াৰ ডোনা ৱেকিক ২-৬, ৬-৪, ৭-৬ ছেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত আজি যোৱাবাৰৰ চেম্পিয়ন স্পেইনৰ কাৰ্লোছ অল্কাৰাজ ৰাছিয়াৰ ডানিয়ল মেডৱেদেভৰ সন্মুখীন হ'ব। আন এখন ছেমি ফাইনেলত ৭ বাৰৰ চেম্পিয়ন আৰু দ্বিতীয় বাছনিপ্ৰাপ্ত ছাৰ্বিয়াৰ নোভাক জ'ক'ভিছ ইটালীৰ ২৫ সংখ্যক বাছনিপ্ৰাপ্ত লৰেঞ্জো মুছিটিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**